# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-APR-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines

-------------------

১। আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

২। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধী, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, নীতিন গাডকাৰীৰ প্ৰচাৰ অভিযান।

৩। বিধানসভা নিৰ্বাচন উপলক্ষে জিলা প্ৰশাসনৰ ভোটাৰ সজাগতা কাৰ্যসূচী অব্যাহত।

৪। বিধানসভা নিৰ্বাচন আৰু উপ-নিৰ্বাচনৰ ৪৮ ঘণ্টাৰ নিৰ্বাচনী প্ৰচাৰ নিষিদ্ধ সময়ছোৱাত সকলো সংবাদ মাধ্যমক যিকোনো নিৰ্বাচনী বিষয়ৰ প্ৰদৰ্শন নিষিদ্ধ কৰাৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দেশ জাৰি। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। শাসক আৰু বিৰোধী দলৰ প্ৰাৰ্থী সকলে জনসভা, ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ প্ৰয়াস চলাইছে। তাৰকা প্ৰচাৰকসকলেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ ৰাহুল গান্ধীয়ে আজি কাৰ্বি আংলং জিলাৰ বোকাজান আৰু তিতাবৰৰ কাছজান চাহ বাগিচাত আয়োজিত জনসভাত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। বোকাজানত নিৰ্বাচনী সভাত কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে তেওঁৰ দল পুনৰ ক্ষমতালৈ আহিলে কাৰ্বি আংলঙত ২৪৪(ক) অনুচ্ছেদ কাৰ্যকৰী কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। কংগ্ৰেছ দলে ক্ষমতাৰ বিকেন্দ্ৰিকৰণত বিশ্বাস কৰে বুলি উল্লেখ কৰি তেওঁ কয়, যে তৃণমূল পৰ্যায়ৰ পৰাই পৰিৱৰ্তনৰ সূচনা হ'ব লাগে আৰু ইয়াৰ বাবে দিল্লী বা গুৱাহাটীৰ পৰা শাসনৰ পৰিৱৰ্তে স্থানীয় নেতাই অঞ্চলটোত শাসন কৰা উচিত। একেদৰে তিতাবৰত প্ৰচাৰ সভাত অংশ লৈ শ্ৰীগান্ধীয়ে বৰ্তমানৰ চৰকাৰখনৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰে।

**বাইট (ৰাহুল গান্ধী)**

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ কলিয়াবৰত এখন নিৰ্বাচনী সভাত অংশ লয়। তেওঁ বিগত সময়ছোৱাত এন ডি এ চৰকাৰৰ শাসনকালত ৰাজ্যত উন্নয়নৰ ধাৰা সোণালী আখৰেৰে লিখা যাব বুলি উল্লেখ কৰে। অসমত পুনৰবাৰ সু-শাসনৰ জৰিয়তে বিকাশৰ গতি অব্যাহত ৰখাৰ স্বাৰ্থত জনসাধাৰণক বিজেপিক ভোটদান কৰিবলৈ তেওঁ আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ দলে তেওঁলোকৰ শাসনকালত ৰাজ্যখনক অৱহেলা কৰা বুলি অভিযোগ তুলি বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে বিগত ১০ বছৰত ৰাজ্যখনৰ বিকাশৰ বাবে এক লাখ ৭৮ হাজাৰ কোটি টকা আৱণ্টন দিয়া বুলি উল্লেখ কৰে। শ্ৰীশ্বাহে কাইলৈ পুৱা গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰীত প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীশ্বাহে কাইলৈ দুধনৈ আৰু পলাশবাৰীত নিৰ্বাচনী সভাত ভাষণ দিব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি পলাশবাৰীত বিজেপি প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যৰ হৈ প্ৰচাৰ চলায়। ৰাণীত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিগত দশকত অসমত পথ পৰিবহণ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন হোৱা বুলি উল্লেখ কৰে—

**বাইট (নীতিন গাডকাৰী)**

নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ অহা এ আই এম আই এমৰ মুৰব্বী আছাদুদ্দিন ওৱেছিয়ে আজি বৰপেটাৰ পাকাবেতবাৰী সমষ্টিৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী মিনাক্ষী ৰহমানৰ হৈ প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উজনি অসমৰ কেইবাঠাইতো প্ৰচাৰ চলাইছে। তেওঁ খোৱাং আৰু দুলীয়াজান সমষ্টিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই ডিগবৈত সুৰেন ফুকনৰ হৈ আৰু ডিব্ৰুগড়ৰ লেপেটকটাত মিত্ৰজোঁটৰ প্ৰাৰ্থী চক্ৰধৰ গগৈৰ হৈ প্ৰচাৰ চলাইছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ৫ এপ্ৰিলত মৰাণ, বৰপেটা ৰোড আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নাহৰকটীয়াত বিজেপি প্ৰাৰ্থী তৰংগ গগৈৰ হৈ প্ৰচাৰ চলায়।

গোৰেশ্বৰৰ এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভিক্টৰ কুমাৰ দাসৰ সমৰ্থনত আজি দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ তথা ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই প্ৰচাৰ সভাত অংশ লয়। শ্ৰীশইকীয়াই টংলাত এন ডি এ সমৰ্থিত প্ৰাৰ্থী বিকন চন্দ্ৰ ডেকাৰ হৈও প্ৰচাৰ চলায়।

বিটিচিৰ মুৰব্বী তথা বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে আজি দলীয় প্ৰাৰ্থী ৰবিৰাম নাৰ্জাৰী, শিউলী মহিলাৰী আৰু ৰূপম ৰয়ৰ সমৰ্থনত দতমা, কোকৰাঝাৰ আৰু বাওখুংগ্ৰী সমষ্টিত প্ৰচাৰ অভিযানত ভাগ লয়।

কাছাৰত আজি তৃণমূল কংগ্ৰেছৰ উধাৰবন্দ আৰু সোণাই সমষ্টিৰ প্ৰাৰ্থী তপন দাস আৰু ছাহজাহান লস্কৰৰ সমৰ্থনত পশ্চিমবংগৰ যাদৱপুৰৰ সাংসদ ছাইনী ঘোষে প্ৰচাৰ চলায়।

০০০০০

বিধানসভা নিৰ্বাচন উপলক্ষে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাই জিলাই প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই অভিযানে চহৰ-নগৰ আৰু গ্ৰামাঞ্চলকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণক সামৰি লৈছে। বিশেষকৈ নৱপ্ৰজন্মৰ ভোটদাতাসকলৰ মাজত এই বিষয়ত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে।

শ্ৰীভূমি জিলাত প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলৰ বাবে জিলা প্ৰশাসনে অনন্য পদক্ষেপ গ্ৰহণ কৰিছে। জিলাখনৰ ডি এছ এ খেলপথাৰত ২৪টা আত্মসহায়ক গোটৰ সদস্যাই ধামাইল নৃত্য পৰিৱেশন কৰি ভোটাৰ সজাগতা সৃষ্টি কৰে। তদুপৰি বেনাৰ, প্লে কাৰ্ড প্ৰদৰ্শন আৰু ছেলফি পইণ্ট স্থাপন কৰা হৈছে। জিলা আয়ুক্তই যুৱ ভোটদাতাসকলক এই গণতান্ত্ৰিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

অসম বিধানসভা নিৰ্বাচনৰ ৰাষ্ট্ৰীয় আইকন তথা পেৰা চাইক্লিষ্ট ৰাকেশ বনিকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নাৰী অধ্যয়ন কেন্দ্ৰৰ সহযোগত ভোটাৰ সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰে। তেওঁ বিশেষকৈ নতুন ভোটদাতাসকলক এখন সুস্থ-সবল গণতন্ত্ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত  ভূমিকা পালন কৰিবলৈ আহ্বান জনায়।

যোৰহাট জিলা প্ৰশাসনৰ ছুইপ কোষৰ উদ্যোগত আজি স্বৰাজ উদ্যানত সাংস্কৃতিক সন্ধিয়া আৰু পুৰস্কাৰ বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়।

০০০০০

নিৰ্বাচন আয়োগে অসম, কেৰালা, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ বিধানসভা নিৰ্বাচন তথা ৮টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ৪৮ ঘণ্টাৰ নিৰ্বাচনী প্ৰচাৰ নিষিদ্ধ সময়ছোৱাত সকলো সংবাদ মাধ্যম আৰু সম্প্ৰচাৰকক এগ্‌জিট প'ল বা যিকোনো নিৰ্বাচনী বিষয়ৰ প্ৰদৰ্শন নিষিদ্ধ কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। আয়োগে প্ৰকাশ কৰে যে টিভি, ৰেডিঅ' চেনেল আৰু কেবল নেটৱৰ্কসমূহে এই নিৰৱতাৰ সময়ছোৱাত প্ৰচাৰ কৰা অনুষ্ঠানসমূহত যাতে কোনো বিশেষ দল বা প্ৰাৰ্থীৰ সম্ভাৱনাক প্ৰচাৰ কৰা নহয় অথবা নিৰ্বাচনৰ ফলাফলত প্ৰভাৱ পেলাব পৰা কোনো বিষয়বস্তু যাতে নাথাকে সেয়া নিশ্চিত কৰাটো উচিত। ইয়াৰ ভিতৰত মতামত সমীক্ষাৰ প্ৰদৰ্শনো অন্যতম বুলি আয়োগে উল্লেখ কৰিছে। আয়োগে লগতে অহা ৯ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা ২৯ এপ্ৰিলৰ সন্ধিয়া চাৰে ৬ বজালৈ এগ্‌জিত প'ল অনুষ্ঠিত কৰা আৰু ছপা বা বৈদ্যুতিন মাধ্যমৰ জৰিয়তে নিৰ্বাচনী ফলাফল প্ৰচাৰৰ ক্ষেত্ৰটো নিষেধাজ্ঞা জাৰি কৰিছে।

ooooo

বজালী জিলাত মাছৰ উৎপাদন বৃদ্ধি আৰু স্বাভাৱিক পানীৰ উৎসসমূহত মাছৰ প্ৰজনন সুৰক্ষিত কৰাৰ উদ্দেশ্যে জিলা দণ্ডাধীশ পাৰ্থপ্ৰতীম মজুমদাৰে নিষেধাজ্ঞা জাৰি কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰা অনুসৰি জাৰি কৰা এই নিষেধাজ্ঞা যোৱা পহিলা এপ্ৰিলৰ পৰা ১৫ জুলাই পৰ্যন্ত বাহাল থাকিব। মাছৰ প্ৰজনন আৰু কণী দিয়া এই সময়ছোৱাত মাছ ধৰা নিয়ন্ত্ৰণৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নিৰ্দেশনা অনুসৰি মাছ মৰা ঘন জালসমূহ এই কাৰ্যত ব্যৱহাৰ কৰাটো নিষিদ্ধ কৰা হৈছে। ৰৌ, ভকুৱা, মিৰিকা, চিতল, খাৰিয়া, পিঠিয়া, ঘাৰিয়া, কুৰি আদি প্ৰজানিৰ কণী থকা মাছ ধৰাটো অহা পহিলা মে'ৰ পৰা ১৫ জুলাইলৈ নিষিদ্ধ কৰা হৈছে। একেদৰে পহিলা আগষ্টৰ পৰা ৩১ অক্টোবৰলৈ ৰৌ, ভকুৱা, মিৰিকা আদি কিছুমান প্ৰজাতিৰ মাছ ধৰা, বিক্ৰী বা ভক্ষণ সম্পূৰ্ণ নিষিদ্ধ কৰা হৈছে। পৰৱৰ্ত্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই নিষেধাজ্ঞা বাহাল থাকিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে আজি এটা নিৰ্দেশনাযোগে জনসাধাৰণক নৈ, জান, বিলত মাছ মৰা, ধৰা আৰু ফাঁচী জালজাতীয় সঁজুলি ব্যৱহাৰ কৰাত নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অৱমাননা কৰা লোকক ভাৰতীয় ন্যায় সংহিতাৰ নিৰ্দিষ্ট ধাৰাত শাস্তি প্ৰদান কৰা হ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

ooooo

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত তৃণমূল কংগ্ৰেছ দলে আজি বৰাক উপত্যকাৰ বাবে নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে। শিলচৰত এখন সংবাদমেলত সাংসদ সুস্মিতা দেৱে এই ইস্তাহাৰ মুকলি কৰি কয়, যে ৰাজ্যত এইবাৰ ২২ গৰাকী তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হ'ব। দলটোৰ নিৰ্বাচনী ইস্তাহাৰত ১০টা প্ৰতিশ্ৰুতি অন্তৰ্ভুক্ত কৰা হৈছে। এই অনুসৰি বৰাক উপত্যকাত বিধানসভা সমষ্টিৰ সংখ্যা ১১ৰ পৰা ৩০ লৈ বৃদ্ধি, পৃথক বাজেট, বৰাক নদী পৰিষদ, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ সংশোধনী আদিকে ধৰি ১০টা প্ৰতিশ্ৰুতিৰ দিশত কাম কৰা হ'ব বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ সুপ্ৰিয়া শ্ৰীনেটে শিলচৰৰ জিলা কংগ্ৰেছৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত আজি দলটোৰ নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখপাত্ৰগৰাকীয়ে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰত সাধাৰণ জনতাৰ কল্যাণৰ বাবে বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি দিয়া হৈছে বুলি উল্লেখ কৰে। ইয়াৰ ভিতৰত মহিলাৰ বেংক একাউণ্টলৈ প্ৰত্যক্ষ আৰ্থিক সাহায্য প্ৰদান, বৃদ্ধসকলৰ বাবে পেঞ্চন, আৰক্ষীৰ সংস্কাৰ সাধন তথা দুৰ্নীতি, ভূমি আৰু মহিলা সম্পৰ্কীয় গোচৰৰ বাবে ফাষ্টট্ৰেক আদালত গঠন, সম্পূৰ্ণভাৱে বিকেন্দ্ৰিকৃত আৰু প্ৰদৰ্শন আধাৰিত প্ৰশাসন, কৰ্মযোগী উদ্যোগী পদক্ষেপত পুৰুষৰ অন্তৰ্ভুক্তি আদি অন্যতম।

ইউ পি পি এলে আজি কোকৰাঝাৰৰ দলৰ মুখ্য কাৰ্যালয়ত নিৰ্বাচনী ইস্তাহাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ ৰণগৌৰা নাৰ্জাৰী আৰু জয়ন্ত বসুমতাৰীৰ উপস্থিতিত দলৰ সভাপতি প্ৰমোদ বড়োৱে

এই ইস্তাহাৰ প্ৰকাশ কৰে। দলটোৰ নিৰ্বাচনী ইস্তাহাৰত বিটিআৰত শান্তি, সু-শাসন, সামাজিক ন্যায় আৰু সৰ্বাংগীণ উন্নয়নত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

00000

সমাপ্ত